# ২০২৪ বৰ্ষৰ গণতন্ত্ৰ দিৱস উদযাপনৰ বাবে ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ চৰকাৰী ভ্ৰমণ

২২ ডিচেম্বৰ ২০২৩

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি মহামহিম শ্ৰীইমানুৱেল মেক্ৰ'নে ভাৰতৰ ৭৫ সংখ্যক গণতন্ত্ৰ দিৱস উদযাপনৰ বাবে মুখ্য অতিথি হিচাপে ভাৰত ভ্ৰমণ কৰিব।

২. ভাৰত আৰু ফ্ৰান্সে কৌশলগত অংশীদাৰ হিচাপে  বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়ত বিভিন্ন পৰিসৰত একত্ৰীকৰণ ভাগ-বতৰা কৰে। এই বছৰ আমি ভাৰত-ফ্ৰান্স কৌশলগত অংশীদাৰিত্বৰ ২৫তম বাৰ্ষিকী উদযাপন কৰিছো। ২০২৩ চনৰ ১৪ জুলাইত পেৰিছত অনুষ্ঠিত বাষ্টিল দিৱসৰ কুচকাৱাজত প্ৰধানমন্ত্ৰী সন্মানীয় অতিথি হিচাপে উপস্থিত আছিল। ৰাষ্ট্ৰপতি মেক্ৰ'নে ২০২৩ চনৰ ৯-১০ ছেপ্টেম্বৰত জি-২০ সন্মিলনৰ বাবে ভাৰত ভ্ৰমণ কৰিছিল।

**নতুন দিল্লী**
**২২ ডিচেম্বৰত ২০২৩**